# যীচুৱে পৌলৰ চকু মুকলি কৰা।

## মিশ্যনেৰী কামৰ কাৰণে পৌলৰ দৰ্শনৰ বিষয়ে ল'ৰা-ছোৱালীক শিকাওক



**প্ৰাৰ্থনা ঃ** 'প্ৰিয় প্ৰভু, সকলো ধৰণৰ লোকলৈ শুভবাৰ্তা নিবলৈ পৌলক আপুনি এক দৰ্শন দিলে। অনুগ্ৰহ কৰি আমাকো সেই দৰ্শন দিয়ক। আমিও প্ৰতিজনকে যীচুৰ বিষয়ে ক'ব খোজোঁ।

ল'ৰা-ছোৱালীয়ে শিকা যিকোনো কামবোৰ বাচি লওক।

**এটি ডাঙৰ ল'ৰা-ছোৱালী অথবা শিক্ষকক পাঁচনিৰ কৰ্ম্ম ২২:১-২২** পদৰ পৰা চৌলে কিদৰে যীচুক লগ পালে কাহিনীটো ক'বলৈ দিয়ক। এই কাহিনীৰ দ্বাৰাই ইয়াকে বুজায় যে যীচুৰ বিষয়ে ক'বলৈ ঈশ্বৰে কিদৰে চৌলক পঠিয়াইছিল।

**কাহিনীটো কোৱা পাছত,** এইপ্ৰশ্নবোৰ কৰক, আৰু বিশ্বাসীসকলক ইয়াৰ উত্তৰবোৰ দিবলৈ কওক। যদি আপোনাৰ প্ৰয়োজন। *(প্ৰত্যেক প্ৰশ্নৰ পাছতে উত্তৰবোৰ দিয়া আছে।)*

১। পৌলে কথা কোৱা শুনি মানুহবিলাকে কিয় মনে মনে থাকিল? (তেওঁ সলনি হোৱা পিছত চৌলৰ নাম পৌল হৈছিল।) *(২ পদ চাওক। তেওঁ তেওঁলোকৰ ভাষাৰে কথা কৈছিল।)*

২। যীচুক লগ পোৱা আগেয়ে খ্ৰীষ্টৰ অনুগামীসকলক চৌলে কি কৰিছিল? *(৫ পদ)*

৩। চৌলকে কিহে অন্ধ কৰিলে? *(১১ পদ)*

৪। অননিয়ৰ যোগেদি চৌলক ঈশ্বৰে কি পৰামৰ্শ দিছিল? *(১৫-১৬ পদ চাওক)*

৫। চৌলক ঈশ্বৰে ক'লৈ পঠিয়ালে? *(২১ পদ)*

৬। চৌলৰ (পৌলৰ) মিশ্যনেৰী কামৰ দৰ্শনৰ বিষয়ে যিহুদীবিলাকে কি ভাবিছিল? *(২২ পদ চাওক)*

কাহিনীৰ কিছু অংশ **নাট কৰক**

- মণ্ডলীৰ উপাসনা চলাওঁতাৰ লগত ল'ৰা-ছোৱালীয়ে পৰিৱেশন কৰিব খোজা ছুটি নাটৰ বাবে ব্যৱস্থা কৰক।
- ল'ৰা-ছোৱালীয়ে নাট প্ৰস্তুত কৰোঁতে আপোনাৰ সময় ব্যৱহাৰ কৰক।
- গোটেই ভাগ আপুনি ব্যৱহাৰ নকৰিলেও হ'ব।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- ডাঙৰ ল'ৰা-ছোৱালী অথবা বয়স্থ বিলাকে তলত উল্লেখ কৰা ভাওবোৰ কৰক ঃ

  **বৰ্ণনাকাৰী,** যিজনে কাহিনীটো সংক্ষেপে কয় আৰু ল'ৰা-ছোৱালীক সিহঁতৰ ভাগবোৰ কওঁতে সোঁৱৰায়।

  **চৌল** (পিছলৈ পৌল বোলা হৈছিল)

  **যীচুৰ মাত**

  **অননিয়**

- **সৰু ল'ৰা-ছোৱালীয়ে** ল'ব পৰা ভাওবোৰ ঃ

  **চৌলৰ সঙ্গীবোৰ**

  **যিহূদী পুৰোহিতবিলাক**

  যিৰূচালেমত **যিহূদী** লোকসমূহ

### চৌলৰ পৰিৱৰ্তনৰ নাট, প্ৰথম ভাগ (পাঁচনিৰ কৰ্ম্ম ৯:১-১১)

**বৰ্ণনাকাৰী ঃ** কাহিনীৰ প্ৰথম ভাগ কয় (১-১১ পদ) আৰু কয়, "চৌলে কি, কয় শুনা।"

**চৌল ঃ** পুৰোহিতবিলাকক কয়, 'আপোনালোক শাসনত থকা পুৰোহিত সকল। মোক কিছুমান নথি-পত্ৰ দিয়ক যেন মই দম্মেচকত থকা যীচুৰ অনুগামী সকলক গ্ৰেপ্তাৰ কৰিব পাৰোঁ। ঈশ্বৰে মোক এই কাম কৰিবলৈ দিছে।'

**চৌল আৰু তেওঁৰ সঙ্গীবৃন্দ ঃ** আগবাঢ়ে। হঠাতে চৌলে চকু ঢাকি, চিত্ৰৰি উঠে আৰু পৰি যায়।

**যীচুৰ মাত ঃ** (জোৰকৈ) 'চৌল! চৌল! মই যীচু হয়, যাক তুমি তাড়না কৰিছা।'

**সঙ্গীবৃন্দ ঃ** চৌলক হাতত ধৰি নিয়ে, কয়, 'পোহৰে তেওঁক অন্ধ কৰিলে।'

## নাট, দ্বিতীয় ভাগ (পাঁচনিৰ কৰ্ম্ম ৯.১২-২১)

**বৰ্ণনাকাৰী ঃ** ১২-২১ পদৰ পৰা কাহিনীৰ দ্বিতীয় ভাগ কয়, আৰু কয়, 'অননিয়ই কি কয় শুনক।'

**অননিয় ঃ** চৌল, আপোনাৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ ঈশ্বৰে মোক পঠিয়াইছে। আপোনাৰ দৃষ্টি পাওক। আপুনি অযিহূদী লোকলৈ সাক্ষী হ'ব। উঠক আৰু বাপ্তিস্ম লওক।'

**চৌল ঃ** কয়, 'অহ! মই এতিয়া দেখা পাইছোঁ। মোৰ শাৰীৰিক আৰু আত্মিক চকু এতিয়া মুকলি হৈছে। এতিয়া মই বুজিছোঁ যে প্ৰতিজন লোকলৈ মই শুভবাৰ্ত্তা নিয়া ঈশ্বৰে ইচ্ছা কৰে।'

**যিহূদী জনসমূহ ঃ** (খঙেৰে চিঞৰে) এই বিশ্বাসঘাটক জনৰ পৰা আঁতৰি আঁহা, 'তেওঁ আমাৰ শত্ৰু পৰজাতিবিলাকক সহায় কৰিবলৈ বিচাৰিছে।

**বৰ্ণনাকাৰী অথবা ডাঙৰ ল'ৰা-ছোৱালী ঃ** সহায় কৰা আটাইকে ধন্যবাদ দিয়ে। যদি ল'ৰা-ছোৱালীয়ে নাটখন বয়স্থসকলৰ বাবে কৰিছে, তেন্তে এই অধ্যয়নৰ ওপৰত দিয়া তালিকাৰ প্ৰশ্নবোৰ সুধিবলৈ কওক।

**আলোচনা কৰক,** যীচুৰ বিষয়ে মানুহবিলাকক তেওঁৰ দৰ্শন বিষয়ে ক'বলৈ পৌলে কিদৰে বাধ্য হৈছিল, যদিও তেওঁক অগ্ৰাহ্য কৰা হৈছিল ঃ ল'ৰা-ছোৱালীক সোধক ঃ "ঈশ্বৰৰ বাধ্য হোৱাত কিদৰে মানুহে আমক বাধা দিবলৈ চেষ্টা কৰে? ল'ৰা-ছোৱালীক উদাহৰণ দিবলৈ কওক।"



এটা গোলকৰ এখন **ছবি আঁকিবলৈ** দিয়ক। পিছৰ উপাসনাত ছবিখন বয়স্থসকলক দেখুৱাব আৰু ব্যাখা কৰক যে ই ইয়াকে বৰ্ণনা কৰিছে যে পৃথিৰীৰ সকলো মানুহক ঈশ্বৰে কিদৰে প্ৰেম কৰে।

**বৰ্ণনা কৰক ঃ** যিবিলাকে এতিয়াও যীচুক জনা নাই তেওঁলোকলৈ ঈশ্বৰে আমাক পঠায়, যিদৰে তেওঁ অন্য লোকৰ মাজলৈ চৌলক পঠিয়াইছিল।

- তেওঁ চৌলৰ চকু মুকলি কৰাৰ দৰে, আন লোকৰ প্ৰয়োজন দেখা পাবলৈ পবিত্ৰ আত্মাই আমাৰ চকু মুকলি কৰে।
- চৌলক দৰ্শন দিয়াৰ দৰে, যীচুৱে আমাকো দৰ্শন দিয়ে যেন আমি অন্য ঠাইত মণ্ডলী আৰম্ভ কৰিব পাৰোঁ।

**মুখস্থ কৰক,** পাঁচনিৰ কৰ্ম্ম ১:৮।

**ব্যাখা কৰক** যে আমি পাঁচনিৰ কৰ্ম্ম ১:৮ পদৰ চাৰিখন ঠাই ব্যৱহাৰ কৰিব পাৰিম, যি যীচুৱে আমাক তেওঁৰ বিষয়ে ক'বল যাবলৈ কয়

**ল'ৰা-ছোৱালীক** চাৰিখন ঠাইৰ উদাহৰণ দিবলৈ কওক ঃ-

১। *যিৰূচালেম* আমি বাস কৰা সমাজৰ লগত মিলে।

২। *যিহূদিয়া* আমাৰ ওচৰত থকা আন সমাজৰ লগত মিলে।

৩। *চমৰিয়া* আমাৰ ওচৰতে থকা অন্য সংস্কৃতিৰ সমাজৰ লগত মিলে।

৪। *জগতৰ সীমালৈকে,* আঁতৰত থকা লোকবিলাকক বুজায়।

**কবিতা,** হিতোপদেশ ৩ঃ১৩-১৫ পদ কেইটা তিনিগৰাকী ল'ৰা-ছোৱালীক একোটাকৈ মুখস্থ কৰিবলৈ দিয়ক।

**ডাঙৰ ল'ৰা-ছোৱালীক** সপ্তাহটোৰ বিষয়বস্তুৰ ওপৰত কবিতা, গীত আৰু নাট লিখিবলৈ দিয়ক।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.